# Telephone conversation between Prime Minister and Prime Minister of Mauritius

May 23, 2020

---

# ভাৰত আৰু মৰিছাছৰ প্ৰধানমন্ত্ৰীৰ মাজত টেলিফোন যোগে বাৰ্তালাপ

মে’ 23, 2020

প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোডীয়ে আজি মৰিছাছৰ প্ৰধানমন্ত্ৰী মহামান্য প্ৰৱীন্দ জুগনাউথৰ সৈতে টেলিফোন যোগে বাৰ্তালাপ কৰে।

প্ৰধানমন্ত্ৰী জুগনাউথে আম্ফানৰ ফলত ভাৰতত হোৱা ক্ষয়-ক্ষতিৰ বাবে সমবেদনা জ্ঞাপন কৰে। ক'ভিড-19 মহামাৰীৰ সৈতে যুঁজত মৰিছাছৰ স্বাস্থ্য কৰ্তৃপক্ষক সহায় প্ৰদান কৰাৰ কাৰণে প্ৰয়োজনীয় ঔষধপাতি সহ 14 জনীয়া এক চিকিত্সকৰ দল মৰিছাছলৈ 'অপাৰেছন সাগৰ'ৰ অধীনত ভাৰতীয় নৌবাহিনীৰ 'কেশৰী' শীৰ্ষক জাহাজখন প্ৰেৰণ কৰাৰ কাৰণে প্ৰধানমন্ত্ৰী মোডীক ধন্যবাদ জ্ঞাপন কৰ।

প্ৰধানমন্ত্ৰী মোডীয়ে ভাৰত আৰু মৰিছাছৰ মাজৰ বিশেষ সম্পৰ্কৰ কথা স্মৰণ কৰি কয় যে এই সংকটৰ সময়ছোৱাত ভাৰতে বন্ধু দেশক সহায়স কৰাটো নিজৰ কৰ্তব্য বুলি ভাৱে।

মৰিছাছত জুগনাউথৰ নেতৃত্বত ক'ভিড-19ৰ সৈতে মোকাবিলা কৰাৰ ক্ষেত্ৰত যিদৰে কাম কৰা হৈছে প্ৰধানমন্ত্ৰী মোডীয়ে তাৰ প্ৰশংসা কৰে আৰু কয় যে ইয়াৰ ফলস্বৰূপে সেই দেশত বিগত কিছু সপ্তাহৰ পৰা কৰ’নাৰ কোনো নতুন সংক্ৰমণৰ খবৰ পোৱা নাই। তেওঁ কয় যে মৰিছাছে যিদৰে তেওঁলোকৰ সৰ্বোত্তম প্ৰয়াসৰ সৈতে এই সংকটৰ সৈতে মোকাবিলা কৰিছে, সেইয়া অন্যান্য দেশসমূহ বিশেষকৈ দ্বীপ ৰাষ্ট্ৰসমূহে একেধৰণৰ স্বাস্থ্য সংকটৰ সৈতে মোকাবিলা কৰাত সহায়ক হব।

দুয়োগৰাকী নেতাই মৰিছাছৰ আৰ্থিক উন্নয়নৰ লক্ষ্যৰে আৰু সেই দেশৰ যুৱক সকলে যাতে আয়ুৰ্বেদিক ঔষধৰ ওপৰত অধ্যয়ন কৰিব পাৰে সেই বিষয়টো সহ বিভিন্ন ক্ষেত্ৰত সহযোগিতা বৃদ্ধিক লৈ আলোচনা কৰে।

প্ৰধানমন্ত্ৰীয়ে মৰিছাছৰ জনসাধাৰণ সু-স্বাস্থ্য আৰু কল্যাণৰ লগতে দুই দেশৰ মাজত সু-সম্পৰ্ক বজাই ৰখাৰ কাৰণে শুভেচ্ছা জনায়।

**নতুন দিল্লী**
**মে’ 23, 2020**

DISCLAIMER: This is an approximate translation. The original is available in English on MEA’s website and may be referred to as the official press release.